**জনসংযোগ, অসম** **প্ৰেছ বাৰ্তা নং-২৫**

# সামাজিক ন্যায় আৰু সবলীকৰণ সঞ্চালকালয়ৰ উদ্যোগত নিচামুক্তি সন্দৰ্ভত চিকিৎসকক প্ৰশিক্ষণ

## <u>সজাগতা সৃষ্টিৰে ড্ৰাগৰ চাহিদা হ্ৰাসত গুৰুত্ব</u>

### *সংগ আৰু ঘৰৰ পৰিবেশৰ বাবেই নিচাগ্ৰস্ত হয় সৰহ সংখ্যকঃ বিশেষজ্ঞ*

**দিছপুৰ, ১১ জুনঃ** অসম চৰকাৰৰ সামাজিক ন্যায় আৰু সবলীকৰণ সঞ্চালকালয়ে নেশ্যনেল একশ্যন প্লান ফৰ ড্ৰাগ ডিমাণ্ড ৰিডাকশ্যন' (NAPDDR)ৰ অধীনত আজিৰে পৰা দুদিনীয়াকৈ থানাপাৰাৰ প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত ৰাজ্যৰ বিভিন্ন স্বাস্থ্য প্ৰতিষ্ঠানত কৰ্মৰত চিকিৎসকৰ বাবে নিচামুক্তি সম্পৰ্কত প্ৰশিক্ষণ আৰু সক্ষমতা সৃষ্টি কাৰ্যসূচীৰ আয়োজন কৰিছে।

সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগৰ উপ-সচিব ৰশ্মি বৰুৱা গগৈয়ে আদৰণি ভাষণ দিয়া প্ৰথম দিনাৰ প্ৰশিক্ষণ কাৰ্যসূচীত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আঞ্চলিক মানসিক স্বাস্থ্য প্ৰতিষ্ঠানৰ সহকাৰী অধ্যাপক ডাঃ পাৰ্থ প্ৰতীম দৈমাৰীয়ে নিচা, অবৈধ ড্ৰাগ, নতুন ধৰণৰ ড্ৰাগ আৰু ইয়াৰ পাৰ্শ্বক্ৰিয়া সন্দৰ্ভত আলোচনা কৰে। ড্ৰাগ প্ৰতিৰোধৰ ক্ষেত্ৰত আগবঢ়োৱা উল্লেখনীয় বৰঙণিৰ বাবে পদ্মশ্ৰী সন্মান লাভ কৰা মণিপুৰৰ ডাঃ অহেইবাম জয়ন্ত কুমাৰ সিঙে উত্তৰ-পূৰ্বাঞ্চলৰ ড্ৰাগ সমস্যা সন্দৰ্ভত আলোচনা কৰে। ভাৰত চৰকাৰৰ সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰালয়ে ২০১৯চনত প্ৰকাশ কৰা এক অধ্যয়নত প্ৰাপ্ত তথ্যৰ আধাৰত তেওঁ কয় যে উত্তৰ-পুৰ্বাঞ্চলৰ প্ৰতিখন ৰাজ্য সুৰা আৰু আফিং সেৱনৰ সমস্যাত আক্ৰান্ত। উক্ত অধ্যয়নৰ তথ্যৰ আধৰত তেওঁ কয় যে অসমৰ ৩.৬৬ কোটি জনসংখ্যাৰ ৮.৮ শতাংশ অৰ্থাৎ ৩২ লাখে এলকহল অৰ্থাৎ সুৰা সেৱন কৰে। ২.২৭ শতাংশ অৰ্থাৎ ৮.৩০ লাখে কান্নাবিছ অৰ্থাৎ ভাং সেৱন কৰে আৰু ২.৯১ শতাংশ অৰ্থাৎ ১০.৯৪ লাখে আফিং সেৱন কৰে। কোনো শিশু বা যুৱকে নিচা সেৱনৰ মূল কাৰণ সংগ আৰু পৰিয়ালৰ প্ৰভাৱ বুলি তেওঁ মন্তব্য কৰে। পৰিয়ালত মুকলিকৈ সুৰা সেৱনৰ পৰম্পৰাই বহুতক নিচাগ্ৰস্ত কৰিছে বুলি তেওঁ কয়। ঘৰ আৰু বিদ্যালয়ত যদি এজন শিশুৱে নিচা সেৱনৰ বদ অভ্যাস দেখা নাপায় তেনেহ'লে নিচা খাবলৈ ক'ত শিকিব বুলি ডাঃ সিঙে প্ৰশ্ন কৰে। ড্ৰাগৰ চাহিদা থাকিলে নিষিদ্ধ হ'লেও যোগান অব্যাহত থাকিব বুলি মন্তব্য কৰি আটাইকেইগৰাকী বক্তাই চাহিদা হ্ৰাসৰ বাবে সজাগতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ইম্ফলৰ আঞ্চলিক চিকিৎসা বিজ্ঞান প্ৰতিষ্ঠানৰ অধ্যাপক ডাঃ ৰাজকুমাৰ লেনিন সিঙে নিচামুক্তিৰ ক্ষেত্ৰত স্বাস্থ্য কেন্দ্ৰবোৰে ল'ব পৰা পদক্ষেপৰ বিষয়ে ব্যাখ্যা কৰে।

কাৰ্যসূচীৰ দ্বিতীয় ভাগত সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগৰ আয়ুক্ত-সচিব বীৰেন্দ্ৰ কুমাৰ মিট্টাল আৰু সামাজিক ন্যায় আৰু সবলীকৰণৰ সঞ্চালক ভাস্কৰ জ্যোতি মহন্তই ভাগ লৈ বক্তব্য প্ৰদান কৰে।

**চি. শ. / ১১ জুন, ২০২৪**